**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-09-2026
**Time :** 1910 Hrs.

***Assamese Evening Bulletin***

## ***HEADLINES***

১।   প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয় যে দেশে ভাবুকিৰ সন্মুখীন হ'লে সুৰক্ষাৰ বাবে সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সাজু হৈ আছে।

২।   কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি গুজৰাটৰ সবৰমতীত কেইবাটাও ৰে'ল উন্নয়ন প্ৰকল্প মুকলি কৰে।

৩।   সেনা বাহিনীয়ে পাকিস্তানত চলোৱা ছাৰ্জিকেল ষ্ট্ৰাইকে বিশ্বৰ সন্মুখত ভাৰতৰ সন্ত্ৰাসবাদ বিৰোধী নীতিৰ নতুন উদাহৰণ দাঙি ধৰা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

৪।   এছিয়ান গেমছত ভাৰতে এতিয়ালৈকে মুঠ ৩৩টা পদকেৰে তালিকাৰ একাদশ স্থানত আছে।

*আৰু*

৫।   তিৰুৱনন্তপুৰমত অনুষ্ঠিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ৱেষ্ট ইণ্ডিজে ভাৰতক জয়ৰ বাবে ২৯৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০০০

ভাৰতে আন কোনো দেশৰ ভূখণ্ড দখল কৰিব নিবিচাৰে বুলি মন্তব্য কৰি আজি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয় যে দেশে ভাবুকিৰ সন্মুখীন হ'লে সুৰক্ষাৰ বাবে সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সাজু হৈ আছে। আজি নতুন দিল্লীত সংবাদ মাধ্যমে আয়োজন কৰা প্ৰতিৰক্ষা সম্পৰ্কীয় এখন সন্মিলনত অংশ লৈ মন্ত্ৰীগৰাকীয়ে আজি এই মন্তব্য কৰে। ভাৰতে আন্তৰ্জাতিক সুস্থিৰতাৰ পোষকতা কৰে বুলি উল্লেখ কৰি তেওঁ কয় যে কৌশলগত স্বায়ত্ত শাসনৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা নহ'ব। দেশৰ বিৰুদ্ধে সন্ত্ৰাসবাদী কাৰ্যকলাপত লিপ্ত কোনো ৰাষ্ট্ৰৰ সৈতে আলোচনা কৰাৰ থল নাই বুলিও তেওঁ উল্লেখ কৰে। সন্ত্ৰাসবাদীক আশ্ৰয় দিয়া তথা সমৰ্থন যোগোৱাৰ লগতে সন্ত্ৰাসবাদত দেশীয় নীতি হিচাপে ব্যৱহাৰ কৰা দেশসমূহক সকিয়াই দি তেওঁ কয় যে সন্ত্ৰাসবাদ কেতিয়াও কোনো দেশৰ বাবে কৌশলগত সম্পদ হ'ব নোৱাৰে। চুবুৰীয়া ৰাষ্ট্ৰখনে সন্ত্ৰাসবাদৰ সমৰ্থনত কাৰ্যকলাপ অব্যাহত ৰখাৰ সমান্তৰালকৈ ভাৰতেও সন্ত্ৰাসবাদ বিৰোধী পদক্ষেপ গ্ৰহণ বাহাল ৰাখিব বুলি তেওঁ সদৰি কৰে।

ৰাষ্ট্ৰীয় ঐক্যক ৰাষ্ট্ৰীয় সুৰক্ষাৰ মূল স্তম্ভ বুলি উল্লেখ কৰি শ্ৰীসিঙে কয় যে এখন দেশৰ সুৰক্ষা নিশ্চিত কৰাটো কেৱল সশস্ত্ৰ বাহিনীৰ কৰ্তব্যেই নহয়, বৰং এয়া হৈছে প্ৰতিগৰাকীৰ নাগৰিকৰ সামুহিক দায়িত্ব। তেওঁ ধৰ্ম, জাতি, ভাষা, অঞ্চল তথা অন্যান্য পৰিচয় নিৰ্বিশেষে প্ৰতিগৰাকী নাগৰিকক ৰাষ্ট্ৰৰ স্বাৰ্থত অগ্ৰাধিকাৰ দিবলৈ আহ্বান জনায়।

মন্ত্ৰীগৰাকীয়ে প্ৰতিৰক্ষা খণ্ডত দেশ আত্মনিৰ্ভৰ হোৱা সন্দৰ্ভতো আলোকপাত কৰে। ২০১৩-১৪ বৰ্ষত প্ৰতিৰক্ষা ৰপ্তানি ৬৮৬ কোটি টকা আছিল বুলি উল্লেখ কৰি তেওঁ কয় যে ২০২৫-২৬ বৰ্ষত অভিলেখ সংখ্যক ৩৮ হাজাৰ ৪৮৪ কোটি টকাত উপনীত হৈছে। সম্প্ৰতি ১০০খন দেশলৈ প্ৰতিৰক্ষা সামগ্ৰী ৰপ্তানি কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি গুজৰাটৰ সবৰমতীত এহেজাৰ ৫০০ কোটি টকাতকৈও অধিক টকা ব্যয়সাপেক্ষ কেইবাটাও ৰে'ল উন্নয়ন প্ৰকল্প মুকলি কৰাৰ লগতে আন কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। মন্ত্ৰীগৰাকীয়ে সবৰমতী ষ্টেচনৰ পৰা দেশৰ প্ৰথমখন তৰল প্ৰাকৃতিক গেছচালিত ৰে'ল পতাকা জোকাৰি মুকলি কৰে। এই অনুষ্ঠানত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলো উপস্থিত থাকে। উল্লেখযোগ্য যে দেশৰ প্ৰথমখন তৰল প্ৰাকৃতিক গেছচালিত ৰে'লত ডিজেল-তৰল প্ৰাকৃতিক গেছৰ দ্বৈত ইন্ধন ব্যৱস্থা ব্যৱহাৰ কৰা হৈছে। এই ৰে'লখনৰ চলাচল আৰম্ভ হোৱাৰ লগে

লগে দেশৰ সেউজ পৰিবহন যাত্ৰাত তথা কাৰ্বনৰ নিৰ্গমন শূন্যলৈ অৱনমিত কৰাৰ বাবে দেশে গ্ৰহণ কৰা লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত উল্লেখযোগ্য অগ্ৰগতি সাধিত হৈছে।

অনুষ্ঠানত সমবেত লোকসকলক উদ্দেশ্যি দিয়া ভাষণত গৃহমন্ত্ৰীগৰাকীয়ে বিগত ১২ বছৰত ভাৰতীয় ৰে'ল ব্যৱস্থাত হোৱা উল্লেখযোগ্য পৰিৱৰ্তনসমূহৰ ওপৰত আলোকপাত কৰে। তেওঁ কয় যে ৰে'ল খণ্ডত বাৰ্ষিক ডিজেলৰ ব্যৱহাৰ পূৰ্বৰ ২৯৩ কোটি লিটাৰৰ পৰা সম্প্ৰতি ১০৮ কোটি লিটাৰলৈ হ্ৰাস কৰা সম্ভৱ হৈছে। তদুপৰি ডিজেলৰ ব্যৱহাৰ সম্পূৰ্ণৰূপে বন্ধ কৰাৰ বাবে প্ৰয়াস অব্যাহত আছে বুলিও তেওঁ প্ৰকাশ কৰে। ২০১০ বৰ্ষৰ সময়চোৱাত প্ৰতি বছৰে প্ৰায় ৭৫ কিলোমিটাৰ ৰে'লপথৰ বৈদ্যুতিকীকৰণ কৰা হৈছিল বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে সম্প্ৰতি প্ৰতি বছৰে প্ৰায় ৭ হাজাৰ ১৮৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'লপথৰ বৈদ্যুতিকীকৰণৰ কাম কৰি থকা হৈছে।

০০০০০০

সেনা বাহিনীয়ে পাকিস্তানত থকা সন্ত্ৰাসবাদী ঘাটিসমূহক লক্ষ্য কৰি চলোৱা ছাৰ্জিকেল ষ্ট্ৰাইকে বিশ্বৰ সন্মুখত ভাৰতৰ সন্ত্ৰাসবাদ বিৰোধী নীতিৰ নতুন উদাহৰণ দাঙি ধৰা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। শ্ৰী মোদীয়ে আজি আকাশবাণীৰ মন কি বাত অনুষ্ঠানত কয়, যে কাইলৈ এই আক্ৰমণৰ দশম বৰ্ষপূৰ্তি পালন কৰা হ'ব। দেশত এসময়ত ধাৰাবাহিক বিস্ফোৰণ সাধাৰণ কথা আছিল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে ২০০৮ চনৰ ১৩ ছেপ্তেম্বৰত দিল্লীত হোৱা ধাৰাবাহিক বিস্ফোৰণত ভালেসংখ্যক নিৰীহ লোকে প্ৰাণ হেৰুৱাইছিল। ইয়াৰে কেইসপ্তাহমানৰ পাছত ২৬ নৱেম্বৰত মুম্বাইত সন্ত্ৰাসবাদী আক্ৰমণ সংঘটিত হৈছিল। তেওঁ কয়, যে ভাৰতে সম্প্ৰতি সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি অনুসৰণ কৰিবলৈ লৈছে আৰু ইয়াৰ পৰিণামো পৰিলক্ষিত হৈছে।  দেশত অব্যাহত থকা লোকপিয়ল সন্দৰ্ভত মত প্ৰকাশ কৰি শ্ৰী মোদীয়ে কয়, যে সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। ৩২ কোটিৰো অধিক পৰিয়ালৰ তথ্য ইতিমধ্যে নথিভুক্ত কৰা হৈছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে সম্প্ৰতি দেশৰ দুৰ্গম আৰু তুষাৰাবৃত্ত লাডাখ, হিমাচল প্ৰদেশ, জম্মু-কাশ্মীৰ আৰু উত্তৰাখণ্ডত এই কাম চলি আছে।

পাৰিপাৰ্শ্বিকতা সন্দৰ্ভত মত প্ৰকাশ কৰি শ্ৰী মোদীয়ে কয়, যে  পাৰিপাৰ্শ্বিকতাৰ ৰক্ষণাবেক্ষণ মানে অকল গছ-লতা বা জীৱকুলৰ ৰক্ষাই নহয়, বৰং এনে প্ৰচেষ্টাই সমগ্ৰ পৰিস্থিতি তন্ত্ৰটো সুদৃঢ় কৰি  তোলে। দেশৰ বিভিন্ন অংশত অব্যাহত এনে ধৰণৰ প্ৰচেষ্টাৰ বিষয়ে উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে মানুহৰ দখলৰ বাবে এসময়ত হাতীৰ মুক্ত বিচৰণথলিৰূপে পৰিচিত অসমৰ সোণাই-ৰূপাই নামৰ বন্যপ্ৰাণী অভয়াৰণ্যৰ পৰা হাতী আন ঠাইলৈ আঁতৰি যাবলগীয়া হৈছিল। তিনি বছৰ পূৰ্বে মানুহৰ দখলৰ পৰা মুক্ত কৰাৰ পাছত অভয়াৰণ্যখনত অপূতপূৰ্ব পৰিৱৰ্তন হৈছে আৰু অভয়াৰণ্যখনলৈ হাতী পুনৰ উভতি আহিছে বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে অসমত নলগাহৰি সংৰক্ষণৰ বাবে চলোৱা প্ৰচেষ্টাৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয়, যে এসময়ত বিলুপ্তপ্ৰায় মাত্ৰ ছটা নলগাহৰিকলৈ সংৰক্ষণৰ অভিযান চলোৱা হৈছিল আৰু নতুন তৃণভূমি প্ৰস্তুত কৰি অৰণ্যত এৰি দিয়া হৈছিল। এই অভিযানৰ বাবেই নলগাহৰিৰ সংখ্য ১৯০ লৈ বৃদ্ধি পোৱা বুলিও তেওঁ উল্লেখ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসেৱাৰ জৰিয়তে দেশ সেৱাৰ লক্ষ্যৰে ৰাজহুৱা সেৱাৰ ক্ষেত্ৰত ২৫ বছৰ সফলতাৰে সম্পূৰ্ণ কৰিছে আৰু সম্পূৰ্ণ দায়বদ্ধতাৰে এই সেৱা অব্যাহত ৰাখিছে। সেৱা আৰু সুশাসনৰ লক্ষ্যৰে চৰকাৰে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে নিৰন্তৰ কাম কৰি আছে। সৰ্বাত্মক বিকাশ আৰু সামাজিক সবলীকৰণৰ জৰিয়তে চৰকাৰৰ এই নিষ্ঠাপূৰ্ণ সেৱাই জনসাধাৰণৰ জীৱনত ৰূপান্তৰ সাধন কৰিবলৈ সমৰ্থ হৈছে। এই শৃংখলাত আজি নমো ভাৰত ৰেপিড ৰে'লৰ জৰিয়তে এই লক্ষ্যত উপনীত হোৱাৰ বাবে চলোৱা প্ৰয়াসসমূহৰ ওপৰত আলোকপাত কৰা হৈছে।

নমো ভাৰত হৈছে দেশৰ প্ৰথমখন আঞ্চলিক দ্ৰুত গতিৰ পৰিবহন ব্যৱস্থাৰ অন্তৰ্গত ৰে'ল। এই ৰে'লৰ ঘণ্টাত ১৮০ কিলোমিটাৰ বেগেৰে যাব পৰাকৈ সামৰ্থ্য আছে। এই ৰে'লখনে ৮২ দশমিক ১-৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ কৰিড'ৰ অতিক্ৰম কৰে। ৩০ হাজাৰ ২৭৪ কোটি টকা ব্যয়সাপেক্ষে এই প্ৰকল্প নিৰ্মাণ কৰা হৈছে। চলিত বৰ্ষৰ ফেব্ৰুৱাৰীৰ পৰা কৰ্যক্ষম হৈ উঠা এই প্ৰকল্পৰ জৰিয়তে দিল্লীৰ পৰা মীৰাটলৈ পথচোৱা এঘণ্টাতকৈও কম সময়ত অতিক্ৰম কৰাটো সম্ভৱ হৈ উঠিছে। তদুপৰি

নমো ভাৰতৰ জৰিয়তে অতি কম দূৰত্বত তিনিটা মেট্ৰ' পথ, দুটা ৰে'ল ষ্টেচন আৰু চাৰিটা বৃহৎ বাছ আস্থানলৈ আহ-যাহৰ সূচলতা সম্ভৱ হৈ উঠিছে। প্ৰতিখন ৰে'লতে মহিলাৰ বাবে এটা বিশেষ দবা সংৰক্ষণ কৰি ৰখাৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি বিশেষ সুবিধা বিচৰা যাত্ৰীসকলৰ বাবে অধিক আৰামদায়ক আসন তথা নিজা অপেক্ষা স্থানসহ এটা বিশেষ দবাৰো ব্যৱস্থা কৰা হৈছে। প্লেটফৰ্মসমূহত যাত্ৰীসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে প্লেটফৰ্ম স্ক্ৰীণ দুৱাৰৰ ব্যৱস্থা কৰা হৈছে। ৰেপিড ৰে'ল পতাকা জোকাৰি মুকলি কৰা অনুষ্ঠানত ভাষণত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে দ্ৰুত গতিৰ নমো ভাৰত ৰে'লত আধুনিক সুবিধা সন্নিৱিষ্ট কৰা হৈছে। তেওঁ লগতে কয় যে নমো ভাৰত ৰে'লে নতুন ভাৰতৰ নতুন সংকল্প তথা নতুন যাত্ৰা প্ৰতিফলিত কৰিছে।

০০০০০০

জাপানৰ আইচি নাগ'য়াত অনুষ্ঠিত এছিয়ান গেমছত ভাৰতে আজি দুটা ৰূপৰ পদক দখল কৰে। পুৰুষৰ একক শাখাৰ স্কোৱাচত অভয় সিঙে আজি ৰূপৰ পদক লাভ কৰে। ফাইনেলত অভয় সিং মালয়েছিয়াৰ ইয়ান ইয় এন-জিৰ হাতত ৯-১১, ৫-১১, ৫-১১ ফলাফলত পৰাজিত হয়। আনহাতে, মহিলাৰ একক শাখাৰ স্কোৱাচতো অনাহত সিঙে আনটো ৰূপৰ পদক লাভ কৰে। ফাইনেলত মালয়েছিয়াৰ শিৰছংগ্ৰী সুব্ৰমণিয়ামৰ হাতত ৪-১১, ৪-১১, ৭-১১ ফলাফলত অনাহত সিং পৰাস্ত হয়। ভাৰতৰ হৰিতা ভদ্ৰাই ২০০ মিটাৰ দৌৰত ব্ৰঞ্জৰ পদক লাভ কৰে। এছিয়ান গেমছত ভাৰতে এতিয়ালৈকে চাৰিটা সোণ, ১৪টা ৰূপ আৰু ১৫ টা ব্ৰঞ্জৰ পদকৰ সৈতে মুঠ ৩৩টা পদক লাভ কৰি পদকৰ তালিকাৰ একাদশ স্থানত আছে।

০০০০০০

ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ তিনিখনীয়া এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ তিৰুৱনন্তপুৰমৰ গ্ৰীণ ফিল্ড আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত আজি অনুষ্ঠিত প্ৰথমখন খেলত ৱেষ্ট ইণ্ডিজে ভাৰতক জয়ৰ বাবে ২৯৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত টছত জিকি ভাৰতে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ৱেষ্ট ইণ্ডিজে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত অভাৰত ৭ টা উইকেট হেৰুৱাই ২৯৫ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ভাৰতে এই বাতৰি যুগুতোৱাৰ পৰলৈ ১২ অভাৰত এটা উইকেট হেৰুৱাকৈ ৭৪ ৰাণ সংগ্ৰহ কৰিছে। অহা ৩০ ছেপ্তেম্বৰত গুৱাহাটীত শৃংখলাৰ দ্বিতীয়খন খেল আৰু ৩ অক্টোবৰত নিউ ছণ্ডীগড়ত তৃতীয় তথা অন্তিমখন খেল অনুষ্ঠিত হ'ব।

০০০০০০

***সমাপ্ত***